**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-07-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

কেৰালাৰ ৱায়নাডত ভূমিস্খলনত মৃত্যু হোৱা লোকৰ সংখ্যা ১৬৫ লৈ বৃদ্ধি পাইছে। এই দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত ১৮৬ জন লোকক বিভিন্ন হাস্পতালত চিকিৎসা প্ৰদান কৰি থকা হৈছে। বোকাত পোত খাই থকা মৃতদেহ উদ্ধাৰ বাবে আৰক্ষীৰ স্নিফাৰ ডʼগ নিয়োগ কৰা হৈছে। অঞ্চলটোত কেইবাটাও উদ্ধাৰকাৰী দল আৰু আঞ্চলিক সেনা বেটেলিয়ন নিয়োগ কৰা হৈছে।

ইপিনে মালাপ্পুৰাম জিলাৰ চালিয়াৰ নদীৰ পৰাও বহুকেইটা মৃতদেহ উদ্ধাৰ কৰা হৈছে। ৰাজ্যখনত কালিৰ ভয়াৱহ ভূমিস্খলনত নদীৰ পানীয়ে এই মৃতদেহসমূহ উটুৱাই লৈ যায়। ভূমিস্খলনত প্ৰায় ২০০ জন লোক এতিয়াও সন্ধানহীন হৈ থকাৰ তথ্য পোৱা গৈছে যদিও এই সংখ্যা অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। সেনা, নৌসেনা, বায়ুসেনা, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী তথা অন্যান্য সংস্থাসমূহে যুঁটীয়াভাৱে উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে। ৱায়নাডত স্থাপন কৰা ৪৫টা সাহায্য শিবিৰত ৩ হাজাৰতকৈও অধিক লোকক আশ্ৰয় প্ৰদান কৰা হৈছে।

ইফালে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কেৰালাৰ মালাপ্পুৰাম, কোঝিকʼড়, ৱায়নাড, কুন্নুৰ আৰু কাচাৰগডত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰি অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। বিভাগীয় কৰ্তৃপক্ষই তিৰুৱানন্তপুৰম আৰু কুল্লামৰ বাহিৰে ১২ খন জিলাৰ সকলো শৈক্ষিক প্ৰতিষ্ঠান বন্ধ ঘোষণা কৰিছে।

০০০০০০০

যোৰহাট জিলাৰ টীয়ক আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত তথা জাঁজীমুখ শাখা ছাত্ৰ সন্থাৰ সহযোগত আজি বান ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰীক শিক্ষণ সামগ্ৰী বিতৰণ কৰা হয়। জাঁজীমুখ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত আজি আয়োজিত কাৰ্যসূচীত বানৰ ফলত ক্ষতিৰ সন্মুখীন হোৱা ৮ শতাধিক ছাত্ৰ-ছাত্ৰীক ছাত্ৰ সংগঠনটোৱে শিক্ষণ সামগ্ৰী বিতৰণ কৰে।

০০০০০০০

বানত ক্ষতিগ্ৰস্ত কৃষকসকলক সকাহ দিয়াৰ উদ্দেশ্যে নগাঁও জিলাৰ কলিয়াবৰ কৃষক পৰিষদে কঠীয়া বিতৰণৰ বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। স্থানীয় বিধায়ক তথা মন্ত্ৰী কেশৱ মহন্তই কলিয়াবৰৰ বৰালীগাঁও পথাৰত উপস্থিত হৈ আজি আনুষ্ঠানিকভাৱে কৃষকসকলৰ মাজত কঠীয়া বিতৰণ কৰে। কলিয়াবৰ মহকুমাৰ অন্তৰ্গত দলগাঁও, নিজৰি, বৰভগীয়া, বামুণভেটী, ঢৌমাৰী, দলনি আদি অঞ্চলতো কঠিয়া বিতৰণ কৰা হয়। এই কাৰ্যসূচীয়ে অঞ্চলটোৰ প্ৰায় ১৮ হাজাৰ বিঘা কৃষিভূমিত ভূঁই ৰুব পৰাকৈ কৃষকসকলক সহায় কৰিব বুলি জানিব পৰা গৈছে।

০০০০০০০০

সমগ্ৰ শিক্ষা অভিযানে অহা বছৰৰ ৬ জানুৱাৰীত আৰম্ভ হʼবলগীয়া গুণোৎসৱৰ সংশোধিত সূচী প্ৰকাশ কৰিছে। এই কাৰ্যসূচী ৬ জানুৱাৰীত আৰম্ভ হʼব যদিও সংশোধিত সূচী অনুসৰি দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ ১৮ জানুৱাৰীৰ পৰিবৰ্তে ১৭ জানুৱাৰীৰ পৰা অনুষ্ঠিত হʼব। একেদৰে তৃতীয় পৰ্যায়ৰ গুণোৎসৱ পূৰ্বৰ ৬ ফেব্ৰুৱাৰীৰ পৰিৱৰ্তে ৪ ফেব্ৰুৱাৰীত আৰম্ভ হʼব। ৪ ফেব্ৰুৱাৰীত তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ স্ব-মূল্যায়ন হোৱাৰ বিপৰীতে ৫-ৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ বহিঃমূল্যায়ন হʼব। আন এটা সংশোধনী অনুসৰি পশ্চিম কাৰ্বি আংলং জিলাত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। আগেয়ে এই জিলাখন তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ তালিকাত অন্তৰ্ভুক্ত আছিল। সমগ্ৰ শিক্ষাৰ মিছন সঞ্চালকে জাৰি কৰা

নির্দেশনা অনুসৰি প্ৰথম পৰ্যায়ৰ গুণোৎসৱ ১১ খন জিলাত, তৃতীয় পৰ্যায়ৰ গুণোৎসৱ ১৪ খনত আৰু তৃতীয় পৰ্যায়ৰ গুণোৎসৱ ১০ খন জিলাত অনুষ্ঠিত হ'ব।

০০০০০০০

দেশৰ চিকিৎসা মহাবিদ্যালয়সমূহত চলিত বৰ্ষৰ এম বি বি এছ্, বি ডি এছ্ আদি পাঠ্যক্ৰমত নামভৰ্তিৰ কাউঞ্চেলিঙৰ বাবে পঞ্জীয়ন প্ৰক্ৰিয়া আগষ্ট মাহৰ প্ৰথম সপ্তাহত আৰম্ভ হ'ব। মেডিকেল কাউঞ্চেলিং কমিটীয়ে এই কথা প্ৰকাশ কৰি লগতে কয় যে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তিৰ বাবে কাউঞ্চেলিং পৰ্ব অহা ১৪ আগষ্টত আৰম্ভ হ'ব।

ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ অধ্যক্ষ ডাঃ বি শ্ৰীনিবাসে, পঞ্জীয়ন আৰু কাউঞ্চেলিং সম্পৰ্কীয় সকলোধৰণৰ অগ্ৰগতিৰ বিষয়ে অৱগত হ'বলৈ শিক্ষাৰ্থীসকলক মেডিকেল কাউঞ্চেলিং কমিটীৰ ৱেবছাইটত দৃষ্টি ৰাখিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে এই কাউঞ্চেলিঙৰ জৰিয়তে এম বি বি এছ পাঠ্যক্ৰমত দেশৰ পৰা ১ লাখ ১০ হাজাৰ আৰু বি ডি এছৰ প্ৰায় ২১ হাজাৰ আসনৰ লগতে আয়ুস মন্ত্ৰালয়ৰ অধীনৰ পাঠ্যক্ৰমতো নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। সূচী অনুসৰি অহা ১৪ আগষ্টৰ পৰা ২১ আগষ্টলৈ কাউঞ্চেলিং সম্পন্ন হোৱাৰ পাছত ২৩ আগষ্টত আসন আবণ্টনৰ ফলাফল ঘোষণা কৰা হ'ব। আনহাতে, ৬ ছেপ্তেম্বৰৰ পৰা ১০ ছেপ্তেম্বৰলৈ দ্বিতীয় পৰ্যায়ৰ কাউঞ্চেলিং সম্পন্ন হোৱাৰ পাছত দ্বিতীয় পৰ্যায়ৰ আসন আবণ্টন ১১ আৰু ১২ ছেপ্তেম্বৰত আৰু তৃতীয় তথা অন্তিম পৰ্যায়ৰ আবণ্টন প্ৰক্ৰিয়া ১৩ ছেপ্তেম্বৰত সম্পূৰ্ণ হ'ব।

একেদৰে, চলিত বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীট পি জি অহা ১১ আগষ্টত অনুষ্ঠিত হ'ব বুলিও ঘোষণা কৰা হৈছে। এই পৰীক্ষাৰ বাবে পৰীক্ষাৰ্থীসকলে nbe.edu.in ৱেবছাইটৰ পৰা অহা ৮ আগষ্টত প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব বুলি পৰীক্ষাৰ দায়িত্বত থকা সংস্থা National Board of Examinations in Medical Sciences, NBEMS ৰ পৰা প্ৰকাশ কৰা হৈছে। নীট পি জিৰ এই পৰীক্ষাৰ ফলাফলৰ ওপৰত ভিত্তি কৰি চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰ আসনসমূহ পূৰণ কৰা হ'ব।

০০০০০০০০

**সমাপ্ত**